# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

০০০০০০০

উজনি অসমৰ তিনিখন জিলা ডিব্ৰুগড়, তিনিচুকীয়া আৰু ধেমাজিত চাৰিদিনীয়া ভ্ৰমণসূচীৰে মঙলবাৰে ডিব্ৰুগড়লৈ যোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি তিনিচুকীয়াত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১৪ হাজাৰ ৩০১ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক চেক প্ৰদান কৰে। এই উপলক্ষে কালি কেহাং চাহ বাগিচাৰ টিংৰাই ক্লাব খেলপথাৰত আয়োজিত সভাত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে নাৰী শক্তিক উদ্যোগীকৰণৰ দিশত সবল কৰি তোলাৰ লক্ষ্যৰে চৰকাৰে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ ৪০ লাখ মহিলাৰ ভিতৰত ৮ লাখ মহিলাক ইতিমধ্যে লাখপতি বাইদেউলৈ উন্নীত কৰা হৈছে। ৰাজ্য চৰকাৰে আত্মসহায়ক গোটৰ ৪০ লাখ সদস্যাৰ প্ৰত্যেককে লাখপতি বাইদেউলৈ উন্নীত কৰাৰ প্ৰচেষ্টা চলোৱাৰ উপৰি এইক্ষেত্ৰত তিনিবছৰীয়া পৰিকল্পনা হাতত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ইপিনে মুখ্যমন্ত্ৰীৰ উজনি অসম ভ্ৰমণৰ সময়তে জনজাতিকৰণৰ দাবীত চাহ জনগোষ্ঠীৰ লোকসকলে বিশাল প্ৰতিবাদী কাৰ্যসূচী উলিওৱা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ড° শৰ্মাই কয়, যে এই দাবী হৈছে তেওঁলোকৰ ন্যায্য দাবী আৰু এই প্ৰতিবাদৰ প্ৰতি চৰকাৰৰো সমৰ্থন আছে।

ড° শৰ্মাই কালি ডিব্ৰুগড় জিলাত এটা স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই পৰীক্ষণ কেন্দ্ৰটো মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই কেন্দ্ৰটোৰে পথ দুৰ্ঘটনা হ্ৰাস কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

***বাইট (চি এম)***

শেহতীয়াকৈ বিশ্বনাথ আৰু যোৰহাট জিলাত স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। পৰৱৰ্তী সময়ত বৰপেটা, মঙলদৈ আৰু বদৰপুৰত এনে কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত মৰাণ জনগোষ্ঠীৰ বিভিন্ন বিষয় সন্দৰ্ভত জনগোষ্ঠীটোৰ বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীৰ লগতে ২০০ৰো অধিক প্ৰতিনিধিৰ সৈতে আলোচনা মিলিত হয়। আলোচনাকালত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দিশত চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। তেওঁ লগতে প্ৰতিনিধিসকলৰ সৈতে জনগোষ্ঠীটোৰ অন্যান্য সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি সমাধানৰ আশ্বাস দিয়ে।

০০০০০০০

স্বাস্থ্য বিভাগে ৰাজ্যৰ বিভিন্ন জিলাত বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। যোৰহাট জিলা প্ৰশাসন আৰু টীয়ক সমজিলা প্ৰশাসনৰ উদ্যোগত তথা যোৰহাট জিলা স্বাস্থ্য সমিতিৰ সহযোগত কালি টীয়ক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত টীয়ক সমজিলাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই শিবিৰত বিধানসভা সমষ্টিটোৰ বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰ আৰু বিদ্যালয় বহিৰ্ভূত এহেজাৰ ৪২৬টা শিশুকে ধৰি মুঠ এহেজাৰ ৫১৬ জন লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই শিবিৰত ১৮ বছৰ ঊৰ্ধৰ ব্যক্তিসকলৰো স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। এই শিবিৰৰ দ্বিতীয় পৰ্যায় চিকিৎসা মহাবিদ্যালয় আৰু বিভিন্ন চিকিৎসালয়সমূহত অনুষ্ঠিত হ'ব। তৃতীয় পৰ্যায়ত ৰাজ্যৰ অগ্ৰণী চিকিৎসালয়ৰ লগতে ৰাজ্যৰ বাহিৰৰ চিকিৎসালয়তো জটিল ৰোগৰ চিকিৎসা কৰা হ'ব। তিতাবৰ বিধানসভা সমষ্টিত ১১ অক্টোবৰত আৰু যোৰহাট বিধানসভা সমষ্টিত ১৬ অক্টোবৰত এই শিবিৰ অনুষ্ঠিত হ'ব।

বিশ্বনাথ জিলাত সমষ্টিভিত্তিত অনুষ্ঠিত হ'বলগীয়া বৃহৎ স্বাস্থ্য শিৰিৰ পতাৰ উদ্দেশ্যে জিলা স্বাস্থ্য বিভাগে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। এই শিবিৰত ১৮ বছৰৰ তলৰ শিশু আৰু কিশোৰীৰ হৃদযন্ত্ৰ, স্নায়ু তন্ত্ৰ, যকৃৎ, চকু, অস্থি, কৃত্ৰিম অংগ আদিকে ধৰি ৫০ বিধৰো অধিক ৰোগৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব আৰু লগতে ৰোগ চিনাক্ত হ'লে পৰৱৰ্তী পৰ্যায়ৰ চিকিৎসাৰ সকলোবোৰ সুবিধাও প্ৰদান কৰা হ'ব। এই শিবিৰ কাইলৈ গহপুৰ সমষ্টিত, ১৪ অক্টোবৰত বিশ্বনাথ সমষ্টিৰ বাণিজ্য মহাবিদ্যালয়ত আৰু ২৫ অক্টোবৰত বিহালী সমষ্টিত আয়োজন কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে জানিবলৈ দিয়ে।

কাৰ্বি আংলঙৰ বৈথালাংছ'ৰ ছেৰডিহুন আক্লাম ক্ষেত্ৰত কালি এটা মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। স্থানীয় বিধায়ক ৰূপসিং টেৰণে মুকলি কৰা এই স্বাস্থ্য শিবিৰত ১৮ বছৰৰ তলৰ ১৫ শৰো অধিক ৰোগীয়ে বিশেষজ্ঞ চিকিৎসকৰ অধীনত নিজৰ স্বাস্থ্য পৰীক্ষা কৰায়। জিলা স্বাস্থ্য বিভাগৰ সঞ্চালক ডাঃ জগত সিং টেৰনে কয় যে এই শিবিৰৰ যোগেদি একেলগে ৫৮ টাকৈ ৰোগৰ বিশেষজ্ঞ চিকিৎসকে চিকিৎসা সেৱা আগবঢ়াইছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ চিমেন চাপৰিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত প্ৰায় ৩৭ হাজাৰ আত্মসহায়ক গোটৰ মহিলাক ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব। চিমেন চাপৰিৰ ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব।

০০০০০০০

**সমাপ্ত**